**কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ত  ভূপেন হাজৰিকাদেৱৰ ৯০তম জন্মবাৰ্ষিকী পালন**

**গুৱাহাটী, ৮ চেপ্টেম্বৰ :** "সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাদেৱক প্ৰকৃততে আমাৰ দেশখনে ভাৰতৰত্নৰে সন্মানিত কৰিব লাগিছিল, অসমবাসীৰ এই আশা পূৰণ নহল কিন্তু বিশ্বই এই মহান শিল্পীগৰাকীক বিশ্বৰত্নৰে বিভূসিত কৰিলে"- এইবুলি হাউচফেডস্থিত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ কাৰ্যালয়ত অনুস্থিত হোৱা সভাত ডঃ ভূপেন হাজৰিকাদেৱৰ ৯০ তম জন্মবাৰ্ষিকীত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ডঃ হিতেশ ডেকা ডাঙৰীয়াই শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনায়। এই প্ৰসংগত ডঃ ডেকাই বিশ্ববৰেণ্য ব্যক্তি গৰাকীয়ে আমাৰ সমাজখনলৈ আগবঢ়োৱা বিভিন্ন দিশসমূহৰ কথা সভাত উপস্থিত ভূপেন হাজৰিকাদেৱৰ অনুৰাগীসকলৰ আগত ব্যক্ত কৰে। তেওঁ এই কথাও উল্লেখ কৰে যে, ভূপেন হাজৰিকাদেৱ সাহিত্য-সংস্কৃতি, গীত-মাত, জাতিগঠন ইত্যাদিৰে যিদৰে আমাৰ ৰাজ্যখন তথা সমাজখনৰ বাবে আপুৰুগীয়া আগবঢ়াই গল সেই সমূহক ভৱিষ্যতৰ প্ৰজন্মই আকোঁৱালি লোৱা উচিত। এইক্ষেত্ৰত আমাৰ অভিভাৱকৰ দায়িত্ব তথা কৰ্তব্যৰ কথাও তেখেতে সোঁৱৰাই দিয়ে। এই সভাতে বিশ্ববিদ্যালয়খনৰ শৈক্ষিক ডীন ডঃ অৰূপজ্যোতি চৌধুৰীদেৱেও তেখেতৰ ভাষণ প্ৰসংগত ডঃ ভূপেন হাজৰিকাদেৱৰ লগত প্ৰত্যক্ষভাৱে লাভ কৰা সান্নিধ্যৰ কথা খুউব ৰসালভাবে ব্যক্ত কৰে।

বিশ্ববিদ্যালয়খনৰ ডঃ ভূপেন হাজৰিকা গণসংযোগ সত্ৰখনে আহ্বান কৰা উক্ত জন্মবাৰ্ষিকীত বিশ্ববিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাকে ধৰি প্ৰায় সকলো কৰ্মকৰ্তাৰ লগতে কমিউনিটী ৰেডিঅ' জ্ঞান তৰংগৰ কৰ্মকৰ্তাসকলেও অংশগ্ৰহণ কৰে। সভাত উপস্থিত থকা সকলো ব্যক্তিয়ে সুধাকণ্ঠগৰাকীক সুঁৱৰি নিজৰ নিজৰ বক্তব্য আগবঢ়ায়। শেষত উপস্থিত সকলোৱে শিল্পীগৰাকীৰ কালজয়ী গীত মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে গীতটি সমজুৱাকৈ পৰিবেশন কৰি সভাখনৰ সামৰণি মাৰে।



(অৰূপজ্যোতি চৌধুৰী)

শৈক্ষিক ডীন